সেইবোৰ গাঁও অঞ্চলটৈলে বিয়পি যায়। সামগ্ৰীকভাৱে মানুহে প্ৰগতি আৰু নতুনত্বৰ সপক্ষত আৰু পৰম্পৰা আৰু স্থবিৰতাৰ বিৰুদ্ধে থিয় দিয়ে। বিপ্লৱৰ স্ফুলিংগই যথেষ্ট পৰিমাণৰ সাংস্কৃতিক সাৰবস্তু পায় আৰু ই সহজতে এইবোৰ পুৰি চাৰখাৰ কৰে। যদি নতুন ধাৰণা আৰু চিন্তা, আবিষ্কাৰ আৰু বস্তু, অতি সহজে সমাজত সোমা গ'লহেঁতেন, তেতিয়াহ'লে বিপ্লৱৰ প্ৰয়োজনীয়তা এৰাই চলিব পৰা গ'লহেঁতেন। কিন্তু এইটো নহয়। কাৰণ প্ৰতিখন সমাজত সদায় এনেকুৱা এচাম মানুহ থাকে যিসকলে পৰিৱৰ্তনৰ বিৰোধীতা কৰে, পৰিৱৰ্তনক বাধা দিয়ে, কিয়নো পৰিৱৰ্তনে তেওঁলোকৰ কায়েমী স্বাৰ্থত বাৰুকৈয়ে আঘাট কৰে। বৈপ্লৱিক পৰিৱৰ্তনে এই পুৰণি পন্থীসকলৰ ব্যক্তি স্বাৰ্থ সম্পূৰ্ণৰূপে উৎখাত কৰে। গতিকে বিপ্লৱ অৱশ্যাম্ভাবীহৈ পৰে। কাল্পনিক গল্প বা চৰিত্ৰ, আবেগ-অনুভূতি বিজড়িত প্ৰতীক পুস্তিকা, প্ৰচাৰ পত্ৰিকা ইত্যাদিবোৰে মানুহক বিপ্লৱমুখী বা পৰিৱৰ্তনকামী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। এইবোৰে তেওঁলোকৰ মনৰ পৰিৱৰ্তন ঘটাই বিপ্লৱমুখী কৰে। কিম্বাল ইয়ং এ লিখিছে, "The rise of a new social myth means that the desires, beliefs, attitudes and habits of the people have been altered. The new myth is the promise of a new heaven and a new earth."

(৩) বিপ্লৱৰ অৰ্থনৈতিক কাৰণ **Economic Causes of Revolution** ঃ সমাজত বিপ্লৱ সংঘটিত হোৱাৰ এটা অন্যতম কাৰণ হ'ল অৰ্থনীতি। মানুহৰ মাজত থকা অৰ্থনৈতিক বৈষম্যৰ ফলতেই বিপ্লৱ সম্পন্ন হয়। সমাজৰ উৎপাদনৰ আহিলাবোৰ এচাম মুষ্টিমেয় মানুহৰ হাতত কুক্ষিগত হৈ থাকে। উৎপাদনৰ মালিক শ্ৰেণীটোৱে শ্ৰমিক কৃষক আৰু খাটিখোৱা মানুহক শোষণ কৰে। শোষণৰ ফলত সমাজখন শ্ৰেণীত বিভক্ত হয়। এচাম মুষ্টিমেয় মানুহ অতি বিত্তশালী হৈ উঠাৰ বিপৰীতে গৰিষ্ঠ সংখ্যক মানুহ দিনে দিনে সৰ্বহাৰাত পৰিণত হয়। এই সৰ্বহাৰা শ্ৰেণীটোৱে অৰ্থনৈতিক বৈষম্যৰ অৱসান ঘটাই এখন সুখম সমাজ গঢ়াৰ বাবে সুযোগ পালেই বিপ্লৱ সংঘটিত কৰে।

মাৰ্ক্সবাদ অনুসৰি বিপ্লৱ কোনো ব্যক্তিৰ বা নেতাৰ পছন্দ মতে নঘটে। বিপ্লৱৰ কাৰণে দৰকাৰ বিশেষ সামাজিক পৰিস্থিতি। উৎপাদন শক্তিৰ সৈতে

উৎপাদন সম্পৰ্কৰ বিৰোধে যেতিয়া চৰম পৰ্যায়ত উপনীত হয়, তেতিয়াই সমাজত বিপ্লৱৰ বুনিয়াদ প্ৰস্তুত হয়। এই বিৰোধক অতিক্ৰম কৰি উৎপাদন শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজত সংগতি সাধন কৰাটোৱে হ'ল বিপ্লৱৰ কাম। মাৰ্ক্সে কৈছে, অৰ্থনৈতিক বিকাশৰ এটা নিৰ্দিষ্ট পৰ্যায়ত উৎপাদন সম্পৰ্ক উৎপাদন শক্তিৰ বিকাশত সহায়ক হোৱাৰ সলনি শৃঙ্খলত পৰিণত হয়। সেয়েহে উৎপাদন সম্পৰ্কৰ পৰিবৰ্তন কৰাটো অতি জৰুৰী হৈ পৰে, কিন্তু এই পৰিবৰ্তন আপোনা-আপুনি নহয়। প্ৰতিখন সমাজতেই একোটা শ্ৰেণী থাকে যিটোৱে পুৰণা উৎপাদন সম্পৰ্কক বৰ্তাই ৰাখিব বিচাৰে আৰু নতুন উৎপাদন সম্পৰ্ক প্ৰতিষ্ঠাৰ উদ্যোগক সকলো প্ৰকাৰে বাধা দিয়ে। সেয়েহে এই শ্ৰেণীটোৰ বিৰুদ্ধে সংগ্ৰাম কৰি উৎপাদন সম্পৰ্কৰ পৰিবৰ্তন ঘটাব লগা হয়। সেয়েহে মাৰ্ক্সীয় মতবাদ অনুসৰি বিপ্লৱ একমাত্ৰ ৰাজনৈতিক গঠন বা শাসন ব্যৱস্থাৰ পৰিবৰ্তন নহয়, বিপ্লৱ হ'ল এক সামাজিক অৰ্থনৈতিক ব্যৱস্থাৰ পৰা আন এক উন্নততৰ ব্যৱস্থালৈ উত্তৰণ প্ৰক্ৰিয়া।

মহান বিপ্লৱী লেনিনে বিপ্লৱৰ কাৰণ ব্যাখ্যা কৰিবলৈ গৈ কৈছে যে উৎপাদন শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজত বিৰোধৰ বাবে বিপ্লৱ আপোনা-আপুনি সংঘটিত নহয়। প্ৰধান প্ৰধান ধনতান্ত্ৰিক দেশবোৰত এই বিৰোধ বহুদিন ধৰি চলি আছে কিন্তু বিপ্লৱ হোৱা নাই। লেনিনৰ মতে সমাজ বিপ্লৱৰ কাৰণে প্ৰয়োজন বৈপ্লৱিক পৰিস্থিতি। লেনিনে বৈপ্লৱিক পৰিস্থিতিৰ তিনিটা লক্ষণৰ উল্লেখ কৰিছে—

ক) ৰাষ্ট্ৰৰ ভিতৰত এনেকুৱা সংকট সৃষ্টি হ'ব লাগিব যে, শাসক শ্ৰেণীয়ে আৰু কোনো প্ৰকাৰে পুৰণা কায়দাত তেওঁলোকৰ শাসনক অব্যাহত ৰাখিব নোৱাৰিব।

খ) শোষিত শ্ৰেণীৰ দুখ-দৈন্য অস্বাভাবিকভাৱে বৃদ্ধি পাব; আৰু

গ) যি কোনো বৈপ্লৱিক পৰিবৰ্তনৰ কাৰণে জনগণ সাজু হৈ উঠিব, অৰ্থাৎ প্ৰতিপক্ষৰ চূড়ান্ত নিষ্পেষণেও তেওঁলোকৰ সংগ্ৰামী প্ৰত্যয়ক টলাব নোৱাৰিব।

**বিপ্লৱৰ ৰাজনৈতিক কাৰণ (Political Causes of Revolution)ঃ** প্ৰতিখন ৰাজনৈতিক বিপ্লৱে প্ৰকৃততে প্ৰশাসন ক্ষমতাৰ হস্তান্তৰকে বুজায়। প্ৰতিখন ৰাষ্ট্ৰতে বিভিন্ন ধৰণৰ ৰাজনৈতিক দল, গোষ্ঠী থাকে, এই বিলাকে প্ৰশাসনীয়

Scanned with CamScanner

বিপ্লৱ সম্পৰ্কে প্লেটোৰ ধাৰণা এইখিনিতে সীমাবদ্ধ আছিল। এৰিষ্টটলে বিপ্লৱ বুলিলে ৰাষ্ট্ৰৰ সংবিধানৰ পৰিবৰ্তনক বুজাইছিল। শাসকৰ পৰিবৰ্তন বা এক ধৰণৰ চৰকাৰৰ দ্বাৰা আন এক ধৰণৰ চৰকাৰৰ অপসাৰণকো তেওঁ বিপ্লৱ আখ্যা দিছে। এৰিষ্টটলে বিপ্লৱৰ কাৰণ, মাত্ৰা আৰু প্ৰতিৰোধ সম্পৰ্কেও আলোচনা কৰিছে।

মিল্টন (John Milton) -এ স্বাধীনতা ৰক্ষাৰ স্বাৰ্থত বিপ্লৱৰ প্ৰয়োজনীয়তাৰ কথা কৈছিল। তেওঁৰ মতে জনগণৰ স্বাধীনতাৰ বিৰোধী শাসক গোষ্ঠীক উৎখাত কৰি নতুন চৰকাৰ গঠন কৰা দৰকাৰ। আগাষ্টাইনে (St. Augustine) বিপ্লৱ প্ৰতিৰোধ কৰাৰ কথা কৈছিল। এই উদ্দেশ্যে তেওঁ বেয়া শাসক হত্যা কৰাৰ কথাও কৈছিল।

ইংলণ্ডৰ চুক্তিবাদী দাৰ্শনিক ল'ক (John Lock) -এ ১৬৮৮ চনৰ গৌৰৱময় বিপ্লৱক সমৰ্থন কৰিছিল। তেওঁ খোলোচাকৈ ঘোষণা কৰিছিল যে ব্যক্তিৰ স্বাভাৱিক অধিকাৰ সংৰক্ষণৰ স্বাৰ্থত প্ৰজাবৰ্গই ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰে। আমেৰিকাৰ জেফাৰচনৰ বক্তব্যই আমেৰিকাৰ স্বাধীনতা সংগ্ৰামক প্ৰেৰণা দিছিল। আমেৰিকাৰ স্বাধীনতা সংগ্ৰামত নাগৰিক সকলৰ জীৱন, স্বাধীনতা ইত্যাদি সংৰক্ষণত অসমৰ্থ চৰকাৰক বিপ্লৱৰ মাধ্যমত জেফাৰচনে পৰিবৰ্তন কৰাৰ কথা কৈছিল আৰু এই পৰিবৰ্তন সাধনক প্ৰত্যেকজন আমেৰিকাবাসীৰ কৰ্তব্য বুলি উল্লেখ কৰিছিল। চুক্তিবাদী ফৰাছী দাৰ্শনিক ৰুছোৰ চিন্তা-ধাৰণাইও ফৰাচী বিপ্লৱৰ পথ প্ৰশস্ত কৰিছিল। ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱ আমেৰিকাৰ স্বাধীনতা সংগ্ৰাম আৰু ফৰাছী বিপ্লৱে মূলতঃ অধিকাৰ আৰু স্বাধীনতা ৰক্ষা আৰু গণতন্ত্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যৰে চৰকাৰ পৰিবৰ্তনৰ কথা কৈছিল। অৰ্থাৎ চৰকাৰ পৰিবৰ্তনৰ ওপৰতেই গুৰুত্ব প্ৰদান কৰা হৈছিল।

বৰ্তমান উদাৰনৈতিক গণতন্ত্ৰৰ সমৰ্থক সকলে ৰাজনৈতিক ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্তনৰ সলনি শান্তিপূৰ্ণ উপায়েৰে পৰিবৰ্তনৰ কথা কয়। এওঁলোকে এতিয়া জন কল্যাণকামী ৰাষ্ট্ৰ ব্যৱস্থাকে সৰ্বশ্ৰেষ্ঠ ৰাজনৈতিক ব্যৱস্থা বুলি জ্ঞান কৰে। এওঁলোকে গণতন্ত্ৰ আৰু সমাজবাদৰ সমন্বয়ত গণতান্ত্ৰিক সমাজবাদ প্ৰতিষ্ঠাৰ কথা কয়। এওঁলোকৰ মতে গণতান্ত্ৰিক ব্যৱস্থাত বৈধ উপায়েৰে সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিব পাৰি। এই ধৰণৰ

Scanned with CamScanner

# ৰাজনৈতিক পৰিবৰ্তন
# Political Change

আধুনিক ৰাজনীতি বিজ্ঞানৰ পৰ্যালোচনাত ৰাজনৈতিক পৰিবৰ্তন বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব উন্নতি আৰু বিকাশে এই ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰিছে। ৰাজনৈতিক মতাদৰ্শৰ সৈতে ৰাজনৈতিক পৰিবৰ্তনৰ বিষয়টোও তাৎপৰ্যপূৰ্ণ। ৰাজনৈতিক মতাদৰ্শ আৰু ৰাজনৈতিক পৰিবৰ্তন পৰস্পৰ সম্পৰ্কযুক্ত।

**পৰিবৰ্তনৰ সংজ্ঞা ঃ** পৰিবৰ্তন হ'ল প্ৰকৃতিৰ নিয়ম। সকলো ঠাইতে সকলো ক্ষেত্ৰতে পৰিবৰ্তন পৰিলক্ষিত হয়। সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এই পৰিবৰ্তন প্ৰতিপন্ন হয়। ৰাজনৈতিক পৰিবৰ্তন হ'ল সামাজিক পৰিবৰ্তনৰেই অংশবিশেষ। পৰিবৰ্তন বুলিলে কোনো বিষয়ত এটা অৱস্থাৰ পৰা আন এটা অৱস্থাত উপনীত হোৱাকে বুজায়, (Change as such means that there is some alteration through periods of time in the object under reference.") আচলতে পৰিবৰ্তন হ'ল আগৰ অৱস্থাৰ পৰা বৰ্তমান অৱস্থাত উপনীত হোৱা। পৰিবৰ্তনৰ মূল্য মানৰ (Value Judgement) ধাৰণাৰ লগত কোনো সম্পৰ্ক নাই। বিশেষ এটা পৰিবৰ্তন ভাল হ'বও পাৰে বা বেয়া হ'বও পাৰে। অৰ্থাৎ পৰিবৰ্তন মূল্য-মান নিৰপেক্ষ (Value neutral) । কোনো এটা ৰাজনৈতিক ব্যৱস্থাত পৰিবৰ্তনৰ ফলশ্ৰুতি হিচাপে সংশ্লিষ্ট সমাজৰ প্ৰগতি নাইবা অধোগতি হ'ব পাৰে। এই অৰ্থত ৰাজনৈতিক পৰিবৰ্তন সম্পৰ্কীয় ধাৰণা যথেষ্ট পৰিমাণে অন্তৰ্ভূক্তিমূলক। ৰাজনৈতিক পৰিবৰ্তনৰ ধাৰণাৰ অন্তৰালত ৰাজনৈতিক ক্ষেত্ৰত উন্নয়ন আৰু ৰাজনৈতিক অবনমনৰ ধাৰণা নিহিত থাকে। ৰাজনৈতিক পৰিবৰ্তন মানেই ৰাজনৈতিক উন্নয়ন নহয়। কিন্তু ৰাজনৈতিক উন্নয়ন বুলিলে সকলো সময়তে ৰাজনৈতিক ক্ষেত্ৰত

Scanned with CamScanner

সমূহৰ সমাজ বিকাশ আৰু ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ মতে স্থায়ীত্বৰ স্বাৰ্থত সাম্যৰ পৰিস্থিতি, শিক্ষাৰ ব্যাপক বিস্তাৰ, শিল্পায়ন ইত্যাদিৰ প্ৰয়োজনীয়তা অতি জৰুৰী। হানটিংটনে আৰু কৈছে যে ৰাজনৈতিক ক্ষেত্ৰত বিশৃংখলাক দূৰ কৰাৰ বাবে আধুনিকতাৰ অস্তিত্ব যেনেকৈ অপৰিহাৰ্য তেনেকৈ অতিমাত্ৰাৰ আধুনিকতাৰ বাবে অস্থায়ীত্বৰ আশংকাও অস্বীকাৰ কৰিব নোৱাৰি। টক্‌ভিলে (Alixis De Tocqueville) তেওঁ Democracy in America নামৰ গ্ৰন্থত মাৰ্কিন গণতান্ত্ৰিক ব্যৱস্থাৰ উচ্চস্বৰে প্ৰশংসা কৰিছে।

সমালোচনা ঃ ৰাজনৈতিক পৰিবৰ্তন প্ৰসঙ্গত উদাৰনৈতিক গণতান্ত্ৰিক মতবাদ সমালোচনাৰ উৰ্ধত নহয়। অৰ্থাৎ এই মতবাদৰ সীমাবদ্ধতা আছে। সমালোচকসকলে বিভিন্ন দিশৰ পৰা এই মতবাদৰ বিৰূপ সমালোচনা কৰিছে।

(১) উদাৰনৈতিক গণতান্ত্ৰিক চিন্তাবিদসকলৰ মতে স্থায়িত্বই হ'ল মূখ্য বিষয়। সেয়েহে ই হ'ল এটা স্থায়ীত্বৰ তত্ত্ব। ইয়াক ৰাজনৈতিক পৰিবৰ্তনৰ তত্ত্ব হিচাপে গণ্য কৰিব নোৱাৰি। এই তত্ত্বত প্ৰচলিত ব্যৱস্থাটোৰ ভিতৰতে পৰিবৰ্তনৰ কথা কোৱা হয়। সংশ্লিষ্ট ব্যৱস্থাটোৰ পৰিবৰ্তনৰ কথা এই তত্ত্বত নাই। এই মতবাদত ৰাজনৈতিক ক্ষেত্ৰত উন্নতি বা আধুনিকীকৰণৰ আলোচনা পোৱা যায়। এই মতবাদত ৰাজনৈতিক পৰিবৰ্তন প্ৰসঙ্গত মাৰ্কিন ৰাজনীতিৰ উন্নতি আৰু প্ৰগতিৰ প্ৰচাৰ কৰা হৈছে। মাৰ্কিন ৰাজনৈতিক ব্যৱস্থা, ৰাজনৈতিক প্ৰতিষ্ঠান আৰু ৰাজনৈতিক তত্ত্বৰ ভিত্তিত আলোচ্য মতবাদটো গঢ়ি উঠিছে। ৰাজনৈতিক ক্ষেত্ৰত পৰিবৰ্তনৰ আলোচনা এই মতবাদে অস্বীকাৰ কৰিছে। (২) জনসাধাৰণৰ কল্যাণ সাধন, সামাজিক শ্ৰেণীসমূহৰ মাজত বিৰোধৰ অৱসান আৰু সামঞ্জস্য নাইবা সংহতি সাধনৰ ক্ষেত্ৰত আলোচ্য মতবাদটোৰ উপযোগিতা প্ৰসঙ্গতো বিৰোধ দেখা যায়। (৩) উদাৰনৈতিক গণতান্ত্ৰিক চিন্তাবিদসকল পশ্চিমীয়া শিল্পসভ্যতাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছে। তেওঁলোকে পশ্চিমীয়া সভ্যতা-সংস্কৃতি, নৈতিকতা মূল্যবোধ ইত্যাদিৰ দ্বাৰা আচ্ছন্ন হৈ পৰিছে। পাশ্চমীয়া সমাজ ব্যৱস্থাৰ শোষণ সংকটৰ দিশটো তেওঁলোকৰ চকুত নপৰে। (৪) উদাৰনৈতিক গণতান্ত্ৰিক মতবাদত উন্নয়ন আৰু আধুনিকী কৰণৰ কেইটামান আহিঁ

Scanned with CamScanner

(Model) তুলি ধৰা হৈছে। এই সকলোবোৰেই পাশ্চাত্যৰ আৰ্হি। তৃতীয় বিশ্বৰ উন্নয়নশীল দেশবোৰৰ ক্ষেত্ৰত এই আৰ্হিবোৰৰ কাৰ্যকৰীতা প্ৰমাণিত হৈ উঠা নাই।

**ৰাজনৈতিক পৰিবৰ্তন সম্পৰ্কীয় মাৰ্ক্সীয় ব্যাখ্যা (Marxist InterpretationofPolitical Change) :** ৰাজনৈতিক পৰিবৰ্তন প্ৰসঙ্গত মাৰ্ক্সীয় তত্ত্ব হ'ল বৈপ্লৱিক তত্ত্ব। দ্বন্দ্বমূলক বস্তুবাদ হ'ল এই বৈপ্লৱিক তত্ত্বৰ মূল প্ৰেৰণা। ৰাজনৈতিক পৰিবৰ্তন সম্পৰ্কীয় মাৰ্ক্সীয় ব্যাখ্যা হ'ল এক কথাত বস্তুবাদী ব্যাখ্যা। দ্বন্দ্বমূলক বস্তুবাদী দৃষ্টিভঙ্গীৰ পৰা মাৰ্ক্সীয় দৰ্শনত ৰাজনৈতিক পৰিবৰ্তন আৰু বিকাশ সম্পৰ্কত আলোচনা কৰা হৈছে। সামাজিক বিকাশ আৰু ৰাজনৈতিক পৰিবৰ্তন ব্যাখ্যাৰ ক্ষেত্ৰত শ্ৰেণী সংগ্ৰাম আৰু ৰাজনৈতিক আন্দোলনৰ ওপৰত জোৰ দিয়া হৈছে। মাৰ্ক্সবাদ অনুসৰি বৈপৰীত্যৰ সংঘাট আৰু সক্ৰিয় দ্বন্দ্বৰ মাজত বিকাশৰ কাৰণবোৰ থাকে। প্ৰকৃতিগতভাৱে প্ৰতিটো বস্তু বা ঘটনা সম্পৰ্কযুক্ত আৰু পৰস্পৰৰ দ্বাৰা নিয়ন্ত্ৰিত। এই মতবাদ অনুসৰি পদাৰ্থৰ নিচিনাকৈ সমাজো গতিশীল আৰু পৰিবৰ্তনশীল। সমাজৰ পৰিবৰ্তন আৰুবিবৰ্তন স্বাভাৱিক। কোনো সমাজ ব্যৱস্থাই স্থিতীশীল নহয়। প্ৰকৃততে পৰিমাণগত পৰিবৰ্তনৰ পৰা গুণগত পৰিবৰ্তন হয়। মানৱ সমাজতো এই ধৰণৰ পৰিবৰ্তন সংঘটিত হয়। ইয়াকে বিপ্লৱ বুলি কোৱা হয়। প্ৰত্যেক বস্তু বা ঘটনাৰ মাজত পৰস্পৰ বিৰোধী ধৰ্ম একে সময়তে নিহিত থাকে। তাৰ পৰিণতিত বস্তু বা ঘটনাৰ মাজত অন্তৰ্দ্বন্দ্ব চলি থাকে। এই অন্তৰ্দ্বন্দ্বৰ কাৰণে সকলোবোৰ পৰিবৰ্তন সংঘটিত হয়। স্ববিৰোধৰ এই সংঘৰ্ষই হ'ল বিকাশ। আদিম সাম্যবাদী সমাজৰ পিচত প্ৰত্যেক পৰ্যায়তে অপৰিহাৰ্যভাৱে শ্ৰেণী দ্বন্দ্ব চলি আছে। পুঁজিবাদী সমাজতো সৰ্বহাৰা আৰু বুৰ্জোৱা শ্ৰেণী দ্বন্দ্বৰ ফলত পুঁজিবাদী সমাজৰ বৈপ্লৱিক পৰিবৰ্তন হ'ব; উদ্ভৱ হ'ব এক শ্ৰেণীহীন শোষণহীন সমাজতান্ত্ৰিক সমাজৰ। সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা ক্ৰমান্বয়ে সাম্যবাদী সমাজলৈ ৰূপান্তৰিত হ'ব। এইদৰে বস্তু বা ঘটনাৰ পাৰস্পৰিক সংঘাট আৰু ঐক্যই হ'ল নিম্নস্তৰৰ পৰা উচ্চ স্তৰলৈ উন্নীত হোৱাৰ মূল কাৰণ। দ্বান্দ্বিকতাৰ এই নীতিক কোৱা হয় 'Struggle and unity opposites'। পুৰণিৰ অবসান আৰু নতুনৰ আবিৰ্ভাৱ একমাত্ৰ বৈপ্লৱিক উপায়েৰেই

Scanned with CamScanner

সম্ভৱ। বিপ্লৱ মানে কেৱল ধ্বংস নহয়। ই হ'ল উন্নততৰ নতুনৰ আবিৰ্ভাৱ আৰু বিকাশ। বৈপ্লৱিক পৰিবৰ্তনৰ মাধ্যমত উন্নতৰ অৱস্থাৰ সৃষ্টি আৰু বিকাশ সম্ভৱ হয়। এইদৰে এটা ব্যৱস্থাৰ অস্বীকৃতি বা বাতিলৰ পিচত যিটো নতুন ব্যৱস্থাৰ উদ্ভৱ হয় সেইটো পূৰ্ববৰ্তী অৱস্থাতকৈ সকলো সময়তে উন্নততৰ। এই প্ৰক্ৰিয়াকে বাতিলৰ বাতিলকৰণ (Negation of negation) বোলে। ক্ৰমবিকাশৰ এই সূত্ৰক 'বাদ', 'প্ৰতিবাদ আৰু সম্বাদ (Thesis, Antitheris আৰু Syntheris) হিচাপেও প্ৰকাশ কৰা হয়। যেনে— সামন্ততান্ত্ৰিক ব্যৱস্থাৰ অন্তৰ্দ্বন্দ্ব ফলত সামন্ততন্ত্ৰক বাতিল কৰি উন্নততৰ ব্যৱস্থা হিচাপে পুঁজিবাদৰ সৃষ্টি হয়। ই হ'ল 'বাদ' (Thesis) ৰ বাতিলকৰণ বা প্ৰতিবাদ (Anti-thesis)। পুনৰায় পুঁজিবাদ ব্যৱস্থাৰ স্ববিৰোধ বা অন্তৰ্দ্বন্দ্বৰ ফলত পুঁজিবাদক অস্বীকাৰ বা বাতিল কৰি উন্নততৰ ব্যৱস্থা হিচাপে সমাজতন্ত্ৰৰ উদ্ভৱ হয়। ই হ'ল বাতিলৰ বাতিলকৰণ বা সম্বাদ (Synthesis)।

দ্বন্দ্বমূলক বস্তুবাদ এটা ৰাজনৈতিক দৰ্শন হিচাপে চূড়ান্তভাৱে সমাজতন্ত্ৰ আৰু সাম্যবাদী ধাৰণাৰ সৈতে সংযুক্ত হৈছে। এই তত্ত্ব চিন্তাৰ ভিত্তিতেই দাস-সমাজ, সামন্ত সমাজ, পুঁজিবাদী সমাজ ইত্যাদি সামাজিক বিবৰ্তনৰ বিভিন্ন স্তৰ ব্যাখ্যা বিশ্লেষণ কৰা হৈছে। মানৱ সমাজ আৰু তাৰ ইতিহাসৰ প্ৰকৃতি আলোচনাৰ ক্ষেত্ৰত দ্বন্দ্বমূলক বস্তুবাদী তত্ত্বৰ প্ৰয়োগকেই ঐতিহাসিক বস্তুবাদ বা ইতিহাসৰ বস্তুবাদী ব্যাখ্যা বোলা হয়। ঐতিহাসিক বস্তুবাদ অনুসৰি (১) সমাজৰ পৃৰিবৰ্তন আৰু বিকাশ প্ৰকৃতিৰ দৰেই সুনিৰ্দিষ্ট বৈজ্ঞানিক নিয়মৰ নিয়ন্ত্ৰণাধীন; (২) ৰাজনৈতিক তত্ত্ব, ভাবাদৰ্শ, সংস্কৃতি আৰু বিভিন্ন প্ৰতিষ্ঠানৰ সৃষ্টি হয় সমাজৰ বৈষয়িক জীৱনযাত্ৰাৰ বিকাশৰ ভিত্তিত (৩) বাস্তৱত বৈষয়িক জীৱনযাত্ৰাৰ পদ্ধতি কৰ্তৃক সৃষ্ট মতবাদ আৰু প্ৰতিষ্ঠানে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। মাৰ্ক্সৰ মতে অৰ্থনীতিয়েই হ'ল সমাজৰ ভিত্তি। ইতিহাস মূলত অৰ্থনৈতিক অৱস্থাৰ দ্বাৰা আবৰ্তিত আৰু বিবৰ্তিত হয়। উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ নিয়মবোৰেই এই বিবৰ্তনৰ প্ৰধান কাৰণ। মানৱ সমাজৰ ৰাজনৈতিক, সামজিক আৰু অন্যান্য দিশবোৰ অৰ্থনৈতিক ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। অৰ্থনৈতিক গাঁথনিয়ে উপৰিসৌধ (Super-structure) ক প্ৰভাৱিত কৰে। সমাজৰ পৰিবৰ্তন আৰু শ্ৰেণী সম্পৰ্কৰ মূল কাৰণ হ'ল সমাজৰ উৎপাদন ব্যৱস্থা। সমাজ বিবৰ্তনৰ প্ৰতিটো

Scanned with CamScanner

আকৌ এই কুৰি শতিকাতেই সামগ্ৰীকতবাদৰ বিৰুদ্ধে প্ৰবল প্ৰতিক্ৰিয়াও পৰিলক্ষিত হয়। আকৌ সমাজতান্ত্ৰিক ব্যৱস্থাৰ উত্তৰণৰ পথত ব্যক্তিস্বাতন্ত্ৰবাদী প্ৰতিক্ৰিয়া পৰিলক্ষিত হয়।

**সংস্কাৰমূলক ৰাজনৈতিক পৰিৱৰ্তন ঃ** ৰাজনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত প্ৰক্ৰিয়াগত পাৰ্থক্য পৰিলক্ষিত হয়। এই প্ৰক্ৰিয়াগত পাৰ্থক্যৰ অন্তৰালত ৰাজনৈতিক মতাদৰ্শগত পাৰ্থক্য নিৰ্হিত থাকে। ৰাজনৈতিক পৰিৱৰ্তন দুই ধৰণৰ হ'ব পাৰে সংস্কাৰ মূলক আৰু বৈপ্লৱিক। সংস্কাৰমূলক ৰাজনৈতিক পৰিৱৰ্তনত যিসকল বিশ্বাসী তেওঁলোকৰ উদ্দেশ্য হ'ল প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ অস্তিত্বক অটুট ৰখা আৰু সংশ্লিষ্ট ৰাজনৈতিক ব্যৱস্থাক শক্তিশালী কৰা। এই উদ্দেশ্য আগত ৰাখিয়েই সংস্কাৰপন্থী সকলে সংস্কাৰমূলক আইন প্ৰণয়ন আৰু আনুষঙ্গিক শাসনতান্ত্ৰিক শান্তিপূৰ্ণ ব্যৱস্থাবোৰ অৱলম্বন কৰাৰ পক্ষপাতী। এই ক্ষেত্ৰত উদাহৰণ হিচাপে পুঁজিবাদী বুৰ্জোৱা তাত্ত্বিকসকলৰ সংস্কাৰমূলক মতাদৰ্শৰ কথা কোৱা হয়। এই শ্ৰেণীৰ চিন্তাবিদসকলে ৰাজনৈতিক পৰিৱৰ্তনৰ বিষয়ত ঐক্যমতৰ ভিত্তিত শান্তিপূৰ্ণ পদ্ধতি গ্ৰহণ কৰিব বিচাৰে। উদাৰনৈতিক গণতন্ত্ৰৰ প্ৰবক্তা সকলে ৰাজনৈতিক ক্ষেত্ৰত সংস্কাৰমূলক পৰিৱৰ্তনৰ পক্ষপাতী। এলিটবাদেও প্ৰধানকৈ শাসনতান্ত্ৰিক আৰু শান্তিপূৰ্ণ উপায়েৰে ৰাজনৈতিক পৰিৱৰ্তনৰ কথা কয়।

**বৈপ্লৱিক ৰাজনৈতিক পৰিৱৰ্তন ঃ** ৰাজনৈতিক পৰিৱৰ্তন বৈপ্লৱিক প্ৰকৃতিৰো হ'ব পাৰে। ৰাজনৈতিক ব্যৱস্থাত আমূল পৰিৱৰ্তনকে বৈপ্লৱিক পৰিৱৰ্তন বোলে। এই ধৰণৰ পৰিৱৰ্তনৰ উদ্দেশ্য হ'ল প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ বিলোপ সাধন আৰু নতুন ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতিষ্ঠা। মাৰ্ক্সীয় মতাদৰ্শই ৰাজনৈতিক ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ কথা কয়। মাৰ্ক্সবাদে আমূল পৰিৱৰ্তনৰ কাৰণে শ্ৰেণী সংগ্ৰাম আৰু বিপ্লৱৰ পথ অনুসৰণ কৰাৰ পক্ষপাতী। মাৰ্ক্সীয় দৰ্শন অনুসৰি সমাজৰ সৰ্বহাৰা শ্ৰেণী ঐক্যবদ্ধভাৱে পুঁজিপতি শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামত মিলিত হ'ব আৰু তেওঁলোকে ৰাষ্ট্ৰীয় ক্ষমতা দখল কৰিব। এইদৰে সংখ্যাগৰিষ্ঠ সৰ্বহাৰা শ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠিত হ'ব।

ৰাজনৈতিক পৰিৱৰ্তন আৰু ৰাজনৈতিক মতাদৰ্শ পৰস্পৰৰ সৈতে গভীৰভাৱে সম্পৰ্কযুক্ত। ৰাজনৈতিক মতাদৰ্শৰ উদ্দেশ্য হ'ল ৰাজনৈতিক

Scanned with CamScanner

with the new class representing, as compared to the old, enhanced productive capacities and socially progressive potentialities." এই নতুন শ্ৰেণীটো উৎপাদন ব্যৱস্থা আৰু সামাজিক দৃষ্টিকোণৰ পৰা প্ৰগতিশীল বিবেচিত হয়। সেয়েহে বাস্তৱ ক্ষেত্ৰত বিপ্লৱ বুলিলে পুৰণি একোটা শ্ৰেণীৰ পৰা নতুন একোটা শ্ৰেণীৰ হাতলৈ ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰ হোৱাটোকে বুজায়। অৰ্থাৎ প্ৰচলিত উৎপাদন সম্পৰ্কৰ ধাৰক শাসক শ্ৰেণীটোক উচ্ছেদ কৰি নতুন প্ৰগতিশীল শ্ৰেণীৰ দ্বাৰা ক্ষমতা দখল কৰা আৰু এটা নতুন উৎপাদন সম্পৰ্কৰ সৃষ্টি কৰাটোৱেই হ'ল বিপ্লৱ। শোষণকাৰী শাসক শ্ৰেণীটোৱে সহজতে ক্ষমতা হস্তান্তৰ কৰিবলৈ সন্মত নহয় বা তেওঁলোকে ৰাষ্ট্ৰ যন্ত্ৰক ব্যৱহাৰ কৰি ক্ষমতা কুক্ষিগত কৰিব বিচাৰে। শক্তি প্ৰয়োগ কৰি ক্ষমতা দখল কৰিব লগা হয়। সেয়েহে লেনিনে কৈছিল— "The question of power is the fundamental question of every revolution." বিপ্লৱৰ ধাৰণা প্ৰকৃতি আৰু লক্ষ্য সম্পৰ্কে চিন্তাবিদ সকলৰ মাজত মতভেদ আছে। বিপ্লৱ সম্পৰ্কে দাৰ্শনিকসকলৰ অভিমত বোৰক সাধাৰণতে দুটা ভাগত বিভক্ত কৰা হয়— বিপ্লৱৰ উদাৰনৈতিক তত্ত্ব আৰু মাৰ্ক্সীয় তত্ত্ব। বিপ্লৱৰ উদাৰনৈতিক তত্ত্বক বুৰ্জোৱা মতবাদ হিচাপেও অভিহিত কৰা হয়। ইংলণ্ডৰ মিল্টন আৰু ল'ক ফ্ৰান্সৰ ৰুছো আৰু আমেৰিকাৰ জেফাৰচন ইত্যাদি চিন্তাবিদসকলে বিপ্লৱৰ বাণী প্ৰচাৰ কৰিছিল। আচলতে এওঁলোকে বুৰ্জোৱা বিপ্লৱত অংশগ্ৰহণৰ বাবে জনসাধাৰণক আবেদন জনাইছিল। ইয়াৰ উদ্দেশ্য আছিল সামন্ততান্ত্ৰিক ব্যৱস্থাৰ অবসানৰ পিচত বুৰ্জোৱাসকলৰ ৰাজনৈতিক কৰ্তৃত্ব প্ৰতিষ্ঠা কৰা। এই শ্ৰেণীৰ দাৰ্শনিক সকলে ধনতন্ত্ৰৰ প্ৰতিষ্ঠাৰ পিচত স্থিতাবস্থাৰ সপক্ষে মত পোষণ কৰে। তেতিয়া উদাৰনৈতিক গণতন্ত্ৰৰ প্ৰবক্তাসকলে প্ৰচলিত সমাজ ব্যৱস্থাকেই সৰ্বশ্ৰেষ্ঠ আখ্যা দিয়ে আৰু জনসাধাৰণৰ স্বাৰ্থত ইয়াৰ সংৰক্ষণৰ কথা কয়।

**প্লেটো আৰু এৰিষ্টটল ঃ** গ্ৰীক দাৰ্শনিক প্লেটোই বিপ্লৱ মানে এক আদৰ্শ ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ কথাকে সূচাইছিল। এই ৰাষ্ট্ৰখনত শ্ৰম বিভাজন আৰু কৰ্মৰ বিশেষীকৰণ থাকিব আৰু তাৰ ভিত্তিত তিনিটা শ্ৰেণীত সমাজ বিভক্ত হ'ব। প্লেটোৰ মতে এইদৰে গ্ৰীক নগৰ ৰাষ্ট্ৰৰ অস্তিত্ব ৰক্ষা পৰিব।

Scanned with CamScanner

আমূল পৰিবৰ্তন সংঘটিত হয়। সাংস্কৃতিক বিপ্লৱে ধৰ্মীয় আৰু আৰ্থনৈতিক দিশকো সাঙুৰি লয় যদিও সামাজিক বিপ্লৱ হ'ল সামগ্ৰীক বিপ্লক যিটোৱে সমগ্ৰ সামাজিক সংৰচনা বা গঠনতন্ত্ৰত বিৰাট পৰিবৰ্তনৰ সূচনা কৰে আৰু যাৰ ফলত সামাজিক অনুষ্ঠান, শ্ৰেণী, প্ৰস্থিতি, কাৰ্য ইত্যাদিৰ ক্ষীপ্ৰ আৰু আমূল পৰিবৰ্তন হয়। যদিও সামাজিক বিপ্লৱ হ'ল এটা সামগ্ৰীক প্ৰক্ৰিয়া, তথাপিও বিপ্লৱৰ জনপ্ৰিয় ধাৰণাটো হ'ল ৰাজনৈতিক। কিম্বাল ইয়ং (Kimball Young) -এ তেওঁৰ A Hand Book of Social Psychology নামৰ গ্ৰন্থত মন্তব্য কৰিছে এনেদৰে— "For our purposes, we define revolution as an abrupt shift to near forms of power or authority with in a nation state." "When a political regime is overthrown by force in order to impose a new form of government, or a government, which proclaims a new policy on some crucial issue, we call a revolution."

মাৰ্ক্সবাদীসকলে বিপ্লৱক এটা ঐতিহাসিক পদ্ধতি হিচাপে গণ্য কৰে। এই পদ্ধতিৰ মাধ্যমত সামাজিক পৰিবৰ্তন সংঘটিত হয়। এই পৰিবৰ্তনৰ ফলত শাসক শ্ৰেণী একোটাৰ পৰিবৰ্তন ঘটে আৰু এটা নতুন শাসক শ্ৰেণীৰ উদ্ভৱ হয়। এই নতুন শাসক শ্ৰেণীটো উৎপাদন ব্যৱস্থা আৰু সামাজিক দৃষ্টিকোণৰ পৰা পুৰণি শাসক শ্ৰেণীটোৰ তুলনাত প্ৰগিতিশীল আৰু সম্ভাৱনাময় শক্তি হিচাপে প্ৰতীয়মান হয়। মাৰ্ক্সীয় দৰ্শনৰ পৰিপ্ৰেক্ষিতত যিকোনো শ্ৰেণীবিভক্ত সমাজ ব্যৱস্থাত প্ৰতিক্ৰিয়াশীল শ্ৰেণীস্বাৰ্থৰ বিৰুদ্ধে প্ৰগতিশীল শ্ৰেণীৰ স্বাৰ্থত সমাজ ব্যৱস্থাৰ মৌলিক পৰিবৰ্তনেই হ'ল বিপ্লৱ। অৰ্থাৎ সমাজ ব্যৱস্থাৰ এই পৰিবৰ্তন মৌলিক আৰু প্ৰগতিশীল শ্ৰেণীৰ স্বাৰ্থত হ'ব লাগিব। হাবাৰ্ট আপথেকাৰে তেওঁৰ Democry, Freedom and Revolution নামৰ গ্ৰন্থত কৈছে যে বিপ্লৱ হ'ল ঐতিহাসিক পদ্ধতি। ইয়াৰ মাধ্যমত সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ সুযোগ সৃষ্টি হয় আৰু এটা শাসক শ্ৰেণীক ক্ষমতাচ্যুত কৰি নতুন একোটা শ্ৰেণীৰ উদ্ভৱ হয়। আপ্‌থেকাৰৰ ভাষাত "I would rather define revolution as an historical process leading to and culminating in social transformation, wherein one ruling class is displaced by another,

কৰি থাকে। বিপ্লবৰ মাধ্যমত এই ঘৃণা আৰু ক্ষোভৰ সামগ্ৰীকভাৱে বহিঃপ্ৰকাশ ঘটে আৰু মানুহে ক্ষমতা আৰু ইয়াৰ প্ৰতিনিধি সকলক ধ্বংস কৰাৰ বাবে সকলো প্ৰচেষ্টা হাতত লয়।

মানুহৰ দমিত আকাঙ্খা আৰু ক্ষুধা বিলাকেই বিপ্লবৰ মানসিক আধাৰশিলাটো গঠনকৰি দিয়ে। এল. পি. এডৱাৰ্ডৰ ভাষাত "People come to feel that their legitimate aspirations and ideals are being repressed or prevented, that their entirely proper desires and ambitions are being hindered and thwarted." মনঃস্তাত্বিক কাৰণবোৰ বিপ্লবৰ কাৰণে তৎকালীন কাৰণ নহয় যদিও এইবোৰ মৌলিক কাৰণ। মনঃস্তাত্বিক কাৰকে ব্যক্তিবোৰক বিপ্লবৰ কাৰণে তৎপৰ কৰি তোলে। এই তৎপৰতা অবিহনে বা মানসিক প্ৰস্তুতি অবিহনে বিপ্লব সংঘটিত হ'ব নোৱাৰে, কিয়নো ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অবস্থা বিপ্লবৰ কাৰণে সুবিধাজনক অবস্থাত থাকিলেও সেইবোৰ মানুহক এক সক্ৰিয় কাৰ্যত লগোৱাৰ কাৰণে প্ৰবৃত্ত কৰাত যথেষ্ট নহয়। কিম্বাল ইয়ং (Kimball Young) ৰ ভাষাত, "We may say in fact that no revolution is possible until the psychological moment has arrived. There must be a definite 'readiness' for revolutionary behaviour."

**(২) বিপ্লবৰ সাংস্কৃতিক কাৰণ (Cultural Causes of Revolution ঃ** মনঃস্তাত্বিক কাৰণবোৰৰ উপৰিও বিপ্লবৰ আৰু আন কেইটামান কাৰণ আছে। সাংস্কৃতিক কাৰকেও বিপ্লব সংঘটিত কৰাত যথেষ্ট অৰিহণা যোগায়। আগবাৰ্ণ আৰু নিমকফ (Ogburn & Nimkoff) -ৰ মতে "Revolution is a rapid change of some magnitude in culture." যেতিয়া প্ৰচলিত আৰু পৰম্পৰাগত সংস্থা, ধৰ্মমত বা নীতি প্ৰথা, লোকচাৰ বা পৰম্পৰাবোৰে মানুহৰ প্ৰয়োজনীয়তা পূৰণ কৰাত অসমৰ্থ হৈ গৈ থাকে, তেতিয়া সমাজখনত অশান্তি, উচ্ছৃংখল আৰু উগুল-থুগুল পৰিবেশৰ সৃষ্টি হয়। মানুহবোৰে বিদ্ৰোহ কৰে। নগৰ অঞ্চলৰ অধিবাসীবোৰে এই বিদ্ৰোহত বিশেষ ভূমিকা লয়। কাৰণ চহৰ অঞ্চলত পৰামৰ্শদানআৰু প্ৰচাৰৰ সুবিধাবোৰ গাঁও অঞ্চলতকৈ অতি সহজতে উপলব্ধ হয়। গাঁও অঞ্চলতকৈ অতি ক্ষীপ্ৰতাৰে বৈপ্লৱিক ধাৰণাবোৰ চহৰ অঞ্চলত বিয়পি পৰে। তাৰ পিচত

প্ৰবক্তাসকল পৰিবৰ্তনৰ একেবাৰে বিৰোধী নহয়। তেওঁলোক বিবৰ্তত পৰিবৰ্তনৰ পক্ষপাতী। এই পৰিবৰ্তনৰ প্ৰক্ৰিয়া হ'ল লেহেম গতিৰ আৰু ইয়াৰ উদ্দেশ্য হ'ল সামাজিক সংহতি। এই শ্ৰেণীৰ চিন্তাবিদসকলে প্ৰচলিত ব্যৱস্থাৰ উন্নতি আৰু বিকাশৰ স্বাৰ্থত সহায়ক আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ অৱলম্বন, সমাজৰ গণতন্ত্ৰীকৰণ, গণ-অংশগ্ৰহণ, গণ-সংযোগৰ বিকাশ আৰু প্ৰসাৰ, ৰাজনৈতিক ব্যৱস্থাবোৰৰ লোকায়তকৰণ, আইন ব্যৱস্থা আৰু চৰকাৰী কৰ্তৃত্বৰ বৈধতাকৰণ, প্ৰশাসনিক ক্ষেত্ৰত সংস্কাৰ সাধন ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উদাৰনৈতিক গণতন্ত্ৰ হ'ল অংশগ্ৰহণকাৰী গণতন্ত্ৰ। এই গণতান্ত্ৰিক ব্যৱস্থা হ'ল সকলোৰে উপযোগী ব্যৱস্থা তথা বাঞ্ছিত ব্যৱস্থা।

**বিভিন্ন ৰাজনৈতিক সমাজতত্ত্ববিদৰ আলোচনা :** ৰাজনৈতিক পৰিবৰ্তন প্ৰসঙ্গত উদাৰনৈতিক গণতান্ত্ৰিক মতবাদ বুলিলে ৰাজনৈতিক ক্ষেত্ৰত আধুনিকীকৰণ আৰু ৰাজনৈতিক বিকাশকে বুজায়। পশ্চিমীয়া গণতান্ত্ৰিক দেশবোৰৰ সামগ্ৰীক উন্নয়নৰ অভিজ্ঞতাৰ আলোকত এই আলোচনা কৰা হয়। চিমূৰ মাৰ্টিন লিপছেটে তেওঁৰ The Political Man নামৰ গ্ৰন্থত এই বিষয়ে আলোচনা কৰিছে। তেওঁৰ মতে গুণগত উৎকৰ্ষ আৰু কাৰ্যকাৰীতাৰ কাৰণে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ অন্যান্য দেশত উদাৰনৈতিক ব্যৱস্থা সফল হৈছে। টালকট পাৰছন্সেও তেওঁৰ Sociological Theory and Modern Society নামৰ গ্ৰন্থত এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গণতান্ত্ৰিক প্ৰশাসনিক ব্যৱস্থা, জনকল্যাণকামী ৰাষ্ট্ৰব্যৱস্থা, শিক্ষা সংস্কৃতি বিজ্ঞান-প্ৰযুক্তি ইত্যাদিৰ ভূয়সী প্ৰশংসা কৰিছে। লুচিয়ান পাইৰ Aspects of Political Development নামৰ গ্ৰন্থত ৰাজনৈতিক বিকাশ সম্পৰ্কীয় উদাৰনৈতিক ধাৰণাৰ পৰিচয় পোৱা যায়। ৰাজনৈতিক উন্নয়ন সম্পৰ্কীয় উদাৰনৈতিক দৃষ্টিভঙ্গী প্ৰসঙ্গত আলমণ্ড আৰু পাৱেলৰ Comparative Politics নামৰ গ্ৰন্থত বিস্তৃত আলোচনা আছে। চেমুৱেল হানটিংটনে তেওঁৰ Political Order in a Changing Society নামৰ গ্ৰন্থত ৰাজনৈতিক প্ৰতিষ্ঠানগত আৰু সম্পৰ্কত যথেষ্ট আলোচনা কৰিছে। তেওঁ প্ৰগতিৰ স্বাৰ্থত আৰ্থ-সামাজিক অৱস্থা বা আৰ্থিক পৰিবৰ্তনৰ কথা কোৱা নাই। হানটিংটনে ৰাজনৈতিক প্ৰতিষ্ঠান

Scanned with CamScanner

সহায়ক সংগঠনসমূহৰ মাধ্যমত ৰাজনৈতিক পৰিৱৰ্তন উদ্যোগী হয়।

**ৰাজনৈতিক পৰিৱৰ্তনৰ বৈশিষ্ট্য ঃ** ৰাজনৈতিক পৰিৱৰ্তন পৰ্যালোচনা কৰিলে কেইটামান বৈশিষ্ট্য ওলাই পৰে। প্ৰথমতে ক্ৰমান্বয়ী ৰাজনৈতিক পৰিৱৰ্তন প্ৰসঙ্গত আলোচনা কৰিব পাৰি। সাম্প্ৰতিক কালৰ গণতান্ত্ৰিক ব্যৱস্থাত ৰাজনৈতিক দলবোৰে এই ধৰণৰ পৰিৱৰ্তনক প্ৰতিষ্ঠানিকভাৱে গ্ৰহণ কৰিছে। ক্ৰমান্বয়ে ৰাজনৈতিক পৰিৱৰ্তন ব্যাখ্যাৰ ক্ষেত্ৰত চাপ সৃষ্টিকাৰী বিভিন্ন গোষ্ঠীৰ (Pressure Groups) মাধ্যমত চৰকাৰক প্ৰভাৱিত কৰা, বিভিন্ন আইনৰ পৰিৱৰ্তন কৰা, বিভিন্ন সামাজিক আন্দোলন আদিৰ কথা কোৱা হয়। এই ধৰণৰ ৰাজনৈতিক পৰিৱৰ্তন সাধাৰণতে ক্ষুদ্ৰ হয় আৰু মৌলিক ৰাজনৈতিক পৰিৱৰ্তনত সক্ষম নহয়। ক্ৰমান্বয়ী ৰাজনৈতিক পৰিৱৰ্তন সহিংসও হ'ব পাৰে। আকৌ সংস্কাৰপন্থী সকলে শান্তিপূৰ্ণ পথেৰে ক্ষমতা দখলৰ মাধ্যমত ক্ৰমান্বয়ে সংস্কাৰ সাধনৰ পক্ষপাতী। এওঁলোকে বিশ্বাস কৰে যে বিভিন্ন সংস্কাৰে একত্ৰিতভাৱে এদিন মৌলিক ৰাজনৈতিক পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হ'ব। আনহাতে বৈপ্লৱিক সমাজবাদী সকলে সশস্ত্ৰ সংগ্ৰামৰ পথেৰে আকস্মিকভাৱে মৌলিক পৰিৱৰ্তন সাধন কৰাৰ পক্ষপাতী। এই ধৰণৰ ৰাজনৈতিক পৰিৱৰ্তনৰ ফলত সমগ্ৰ সমাজ ব্যৱস্থাৰ মৌলিক ৰূপান্তৰ ঘটে। বৈপ্লৱিক পৰিৱৰ্তনৰ মাধ্যমত নতুন একোটা শ্ৰেণীয়ে চৰকাৰী ক্ষমতাত অধিষ্ঠিত হয়। এইটো হ'ল ৰাজনৈতিক ব্যৱস্থাৰ বিৰাট পৰিৱৰ্তন। বিৰাট-ৰাজনৈতিক পৰিৱৰ্তনৰ উদাহৰণ হিচাপে ফেচীবাদী ৰাষ্ট্ৰব্যৱস্থাৰ আবিৰ্ভাৱ আৰু অবসান, সামগ্ৰীকতাবাদী ৰাষ্ট্ৰৰ উত্থান, জনকল্যাণমূলক ৰাষ্ট্ৰব্যৱস্থাৰ বিকাশ ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি।

**ৰাজনৈতিক পৰিৱৰ্তনৰ ধাৰণাৰ পৰিৱৰ্তন ঃ** মানুহৰ ৰাজনৈতিক চিন্তাৰ একেবাৰে প্ৰাথমিক অৱস্থাতো ৰাজনৈতিক পৰিৱৰ্তন সম্পৰ্কীয় ধাৰণা আছিল। প্ৰাচীন যুগৰ গ্ৰীচ দাৰ্শনিক সকলে ৰাজনৈতিক পৰিৱৰ্তনৰ কাৰণ হিচাপে ভাৰসাম্যহীন প্ৰশাসনৰ কথা কৈছিল। জনসাধাৰণৰ প্ৰয়োজনৰ প্ৰতি উদাসীন শাসনত ৰাজনৈতিক পৰিৱৰ্তনৰ সূচনা নহয়। গ্ৰীক পণ্ডিত প্লেটোই উত্তৰাধিকাৰ সূত্ৰত ৰাজত্ব বা শাসনৰ পৰিৱৰ্তনকে ৰাজনৈতিক

Scanned with CamScanner

ব্যৱস্থাৰ উচ্ছেদ বা পৰিবৰ্তন প্ৰতিৰোধ কৰা নাইবা পৰিবৰ্তনৰ ভিত্তি প্ৰস্তুত কৰা। যেনে বুৰ্জোৱা ৰাজনৈতিক মতাদৰ্শৰ উদ্দেশ্য হ'ল বুৰ্জোৱা ৰাজনৈতিক ব্যৱস্থাৰ সংৰক্ষণ বা পৰিবৰ্তন প্ৰতিৰোধ কৰা। আকৌ মাৰ্ক্সীয় ৰাজনৈতিক মতাদৰ্শৰ ভিত্তি হ'ল শোষণমূলক বুৰ্জোৱা সমাজ ব্যৱস্থাৰ পৰিবৰ্তন বা উচ্ছেদ সাধন আৰু নতুন শোষণহীন সমাজ ব্যৱস্থাৰ প্ৰতিষ্ঠা কৰা। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে ব্ৰিটিছ উপনিবেশসমূহৰ পতনৰ ক্ষেত্ৰত সংসদীয় গণতান্ত্ৰিক মতাদৰ্শৰ অবদান গুৰুত্বপূৰ্ণ।

**ক্ষমতাৰ পুনৰ্বিন্যাস আৰু ৰাজনৈতিক পৰিবৰ্তন ঃ** ৰাজনৈতিক

বিপ্লৱ বোলে। সাধাৰণভাৱে ক'বলৈ গ'লে বিপ্লৱ হ'ল এক ধৰণৰ ৰাজনৈতিক কাৰ্যক্ৰমণিকা। ৰাজনৈতিক বিপ্লৱে পুৰণি ৰাষ্ট্ৰ ক্ষমতাৰ ধ্বংস সাধন কৰে। কাৰ্লমাৰ্ক্স (Karl Marx) -এ তেওঁৰ The Eighteenth Brumaire নামৰ গ্ৰন্থখনত ফৰাচী বিপ্লৱক ৰাজনৈতিক বিপ্লৱ বুলি অভিহিত কৰিছে। ফৰাচী বিপ্লৱৰ মাধ্যমত সামন্ততন্ত্ৰৰ অৱসান ঘটিছে আৰু ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰ ঘটিছে। কিন্তু এই বিপ্লৱৰ মাধ্যমত উৎপাদনশক্তি আৰু উৎপাদন সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ কোনো পৰিৱৰ্তন হোৱা নাই।

**সামাজিক বিপ্লৱ (Social Revolution) :** সামাজিক বিপ্লৱ হ'ল সামগ্ৰীকভাৱে সমাজ ব্যৱস্থাৰ এক পূৰ্ণ ৰূপান্তৰ। ই হ'ল সমাজ বিকাশৰ এক গুণগত পৰিৱৰ্তন। ইয়াৰ ফলত পুৰণি আৰ্থ-সামাজিক ব্যৱস্থাৰ অৱসান ঘটে আৰু এটা নতুন আৰ্থ-সামাজিক ব্যৱস্থাৰ আৱিৰ্ভাৱ হয়। সেয়েহে সামাজিক বিপ্লৱ হ'ল এক ধৰণৰ অভ্যুত্থান। এই অভ্যুত্থানৰ ফলত সামাজিক সংস্থা, সংগঠন আৰু সামাজিক শ্ৰেণীৰ ধাৰণা আৰু কাৰ্য প্ৰণালীৰ সামগ্ৰীক পৰিৱৰ্তন হয়। ইয়াৰ ফলত ঐতিহাসিক বিচাৰত পুৰণি আৰ্থ-সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তন হয়। ইয়াৰ ফলত ঐতিহাসিক বিচাৰত পুৰণি আৰ্থ-সামাজিক ব্যৱস্থাৰ উচ্ছেদ ঘটি এটা অধিক প্ৰগতিশীল আৰ্থ-সামাজিক সমাজ ব্যৱস্থা প্ৰতিষ্ঠিত হয়। আচলতে বিপ্লৱ হ'ল এক সামাজিক আৰু ঐতিহাসিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ মাধ্যমত প্ৰচলিত উৎপাদন সম্পৰ্কৰ ৰক্ষক শাসক শ্ৰেণীৰ পতন ঘটি নতুন এটা শ্ৰেণীয়ে ৰাষ্ট্ৰীয় বা ৰাজনৈতিক ক্ষমতা দখল কৰে। ক্ষমতাত অধিষ্ঠিত নতুন শ্ৰেণীটোৱে এক ধৰণৰ নতুন উৎপাদন সম্পৰ্ক প্ৰচলন কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰে। মাৰ্ক্সবাদী সকলৰ মতে সামাজিক বিপ্লৱৰ মূলভিত্তি হ'ল উৎপাদন শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজৰ বৈৰিতা। তাৰোপৰি ক্ষমতাৰ বিষয়টোও এটা মৌলিক বিষয়। ৰাষ্ট্ৰীয় ক্ষমতা বা ৰাজনৈতিক ক্ষমতা এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ হস্তান্তৰিত হয়। সামাজিক বিপ্লৱৰ অৰ্থনৈতিক লক্ষ্য হ'ল প্ৰচলিত উৎপাদন সম্পৰ্কৰ সৈতে বিকাশমান উৎপাদনশক্তিৰ বিৰোধৰ অৱসান ঘটোৱা। ইয়াৰ বাবে প্ৰয়োজন হয় উৎপাদনৰ উপাদানবোৰৰ মালিকানাৰ পৰিৱৰ্তন কৰা। আকৌ সামাজিক বিপ্লৱৰ ৰাজনৈতিক উদ্দেশ্য হ'ল এক নতুন ৰাজনৈতিক আৰু আইনগত উপৰি সৌধ গঢ়ি তোলা। এই উপৰি

Scanned with CamScanner

অধ্যায় পৰস্পৰ-বিৰোধী স্বাৰ্থযুক্ত আৰু শ্ৰেণীসমূহৰ অস্তিত্ব সমকালীন অৰ্থনৈতিক বাস্তৱতা অৰ্থাৎ উৎপাদন শক্তি আৰু উৎপাদন সম্পৰ্কৰ ফলশ্ৰুতি। মানুহৰ সামাজিক আৰু ৰাজনৈতিক জীৱনধাৰা হ'ল মানুহৰ অৰ্থনৈতিক জীৱন ধাৰাৰেই প্ৰতিবিম্ব।

মূল্যায়ন ঃ **Evaluation** ঃ ৰাজনৈতিক পৰিবৰ্তন সম্পৰ্কীয় মাৰ্ক্সীয় ধাৰণাও সমালোচনাৰ উৰ্দ্ধত নহয়। মাৰ্ক্সীয় ব্যাখ্যাত অৰ্থনৈতিক উৎপাদনৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু অৰ্থনৈতিক উপাদানেই অকলশৰীয়াকৈ পৰিবৰ্তন সাধন নকৰে। শ্ৰেণীবৈষম্য আৰু শ্ৰেণী সংঘৰ্ষৰ তত্ত্বও সমালোচনাযোগ্য। মানৱ ইতিহাসত দ্বন্দ্ব বিৰোধক বাদ দিও সহযোগিতা সম্প্ৰীতিৰ উদাহৰণো কম নহয়। তাৰোপৰি অৰ্থনীতিয়ে যেনেকৈ দাৰ্শনিক তত্ত্ব, আদৰ্শ আদিক প্ৰভাৱিত কৰে, তেনেকৈ দাৰ্শনিক তত্ত্ব, আদৰ্শ আদিও অৰ্থনীতিক প্ৰভাৱিত কৰে। অৰ্থনৈতিক ব্যৱস্থাৰ পৰিবৰ্তনৰ উপৰিও বহু সময়ত নতুন ভাৱধাৰা আৰু মতাদৰ্শৰ ভিত্তিত নতুন ৰাজনৈতিক ব্যৱস্থাৰ উদ্ভৱ হয়। আকৌ সংস্কাৰ আৰু বিবৰ্তনৰ দ্বাৰাও কাম্য ৰাজনৈতিক পৰিবৰ্তন সংঘটিত হয়। উৎপাদন ব্যৱস্থাই সমাজ আৰু ৰাজনৈতিক ব্যৱস্থাৰ একমাত্ৰ নিৰ্ধাৰক নহয়। তথাপিও মানৱ সমাজৰ বিবৰ্তনৰ ধাৰাত অৰ্থনৈতিক শক্তিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ভূমিকাৰ গুৰুত্বক কোনোপধ্যেই অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে অন্যান্য উপাদানৰ ভূমিকাকো অগ্ৰাহ্য কৰিব নোৱাৰি।

**বিপ্লৱ (Revolution)** ঃ বিপ্লৱ শব্দটোৰ অৰ্থ বিবৰ্তন প্ৰক্ৰিয়া আৰু ইয়াৰ মাজত থকা পাৰ্থক্যৰ পৰা স্পষ্ট হৈ পৰে। বিপ্লৱ শব্দটো তিনিটা বিশেষ অৰ্থত ব্যৱহাৰ হয়। যেতিয়া কোনো এখন ৰাষ্ট্ৰত কিছুমান ব্যক্তিয়ে নাইবা বহু সংখ্যক ব্যক্তিয়ে প্ৰচলিত চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰে আৰু সম্পূৰ্ণ ৰূপে চৰকাৰী সংগঠনৰ পৰিবৰ্তন সাধন কৰে, তেতিয়া তাক ৰাজনৈতিক বিপ্লব বুলি অভিহিত কৰা হয়। প্ৰায়বোৰ ৰাষ্ট্ৰৰ ইতিহাসত ৰাজনৈতিক বিপ্লৱ নাইবা অভ্যুদয়ৰ ঘটনা ঘটা দেখা যায়। বিপ্লৱে এখন সমাজৰ প্ৰথা, অভ্যাস আচৰণ, মূল্যবোধ ইত্যাদিৰ ক্ষীপ্ৰ পৰিবৰ্তনক সূচায়। বিপ্লৱী প্ৰক্ৰিয়াৰে সাধাৰণ নাগৰিকৰ বিশ্বাস, দৃষ্টিভঙ্গী আৰু অভ্যাসৰ

Scanned with CamScanner

অগ্রবর্তী হোৱা বা প্ৰগতিক বুজায়। ৰাজনৈতিক উন্নতিৰ অৰ্থ হ'ল উন্নতৰ অৱস্থাত ৰাজনৈতিক ব্যৱস্থাত উপনীত হোৱা বা অধিকতৰ প্ৰগতিশীল প্ৰশাসনিক পৰ্যায়ত উপনীত হোৱা।

**ৰাজনৈতিক পৰিবৰ্তনৰ ধাৰণা ঃ** ৰাজনৈতিক পৰিবৰ্তন সম্পৰ্কীয় ধাৰণাটোৰ পৰ্যালোচনা অবিহনে ৰাজনৈতিক মতাদৰ্শৰ সৈতে ইয়াৰ সঠিক সম্পৰ্ক অনুধাবন কৰিব পৰা নাযায়। আচলতে ৰাজনৈতিক পৰিবৰ্তন কোনো নতুন বিষয় নহয়। ৰাজনৈতিক পৰিবৰ্তন যি কোনো ৰাজনৈতিক ব্যৱস্থাৰ এটা স্বাভাৱিক দিশ। ইয়াক একমাত্ৰ আধুনিক বুলি ক'ব নোৱাৰি। আচলতে পৰিবৰ্তন বিষয়টোৱে মানুহৰ দৰে প্ৰাচীন। বিশিষ্ট সমাজতত্ত্ববিদ সচিদানন্দৰ ভাষাত "Change is as old as man"। ৰাজনৈতিক পৰিবৰ্তন বুলিলে ৰাজনৈতিক ব্যৱস্থাৰ ৰূপান্তৰকে বুজায়। ৰাজনৈতিক গঠন, আচৰণ, ৰীতি-নীতি, মূল্যবোধ ইত্যাদিত পৰিবৰ্তন ঘটিলে তাকে ৰাজনৈতিক পৰিবৰ্তন বোলা হয়। ৰাজনৈতিক পৰিবৰ্তন হ'ল এটা প্ৰক্ৰিয়া যিটোৰ মাধ্যমত কোনো নিৰ্দিষ্ট ৰাজনৈতিক ব্যৱস্থাত গঠন আৰু কাৰ্য্যাবলীৰ (Structural and functional) পৰিবৰ্তন ঘটে। অন্য ধৰণে ক'বলৈ হ'লে গঠন আৰু কাৰ্যাৱলীৰ ক্ষেত্ৰত ৰাজনৈতিক ব্যৱস্থাৰ যিবোৰ সংগঠনগত পৰিবৰ্তন ঘটে, সেইবোৰ ৰাজনৈতিক পৰিবৰ্তন হিচাপে পৰিগণিত হয়।

**টম বটোমৰৰ ব্যাখ্যা ঃ** টম্ বাটোমৰে ৰাজনৈতিক পৰিবৰ্তনৰ ধাৰণাৰ ব্যাখ্যা কৰিছে। বৰ্তমান শতিকাৰ বিভিন্ন অভিজ্ঞতা আৰু ঐতিহাসিক পটভূমিৰ পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত তেওঁ বিস্তৃত ৰূপত ৰাজনৈতিক পৰিবৰ্তনৰ ধাৰণা ব্যাখ্যা কৰিছে। বটোমৰৰ মতে ডাঙৰ ধৰণৰ ৰাজনৈতিক পৰিবৰ্তন বুলিলে ৰাজনৈতিক ক্ষেত্ৰত সেইবোৰ ৰূপান্তৰক বুজায় যিবোৰৰ মাধ্যমত চৰকাৰী যন্ত্ৰৰ গুৰুত্বপূৰ্ণ পৰিবৰ্তন সম্পাদিত হয় আৰু সামাজিক গোষ্ঠীসমূহৰ ক্ৰমোচ্চ স্তৰবিন্যাস (hierarchical startification) ৰ পুনৰ্বিন্যাস সহ এটাৰ পিচত আনটো সামাজিক সম্পৰ্কৰ গঠনত তাৎপৰ্যপূৰ্ণ পৰিবৰ্তন সংঘটিত হয়। উল্লেখযোগ্য ৰাজনৈতিক পৰিবৰ্তনৰ উদাহৰণ হিচাপে অধ্যাপক বাটোমোৰে সামগ্ৰিকতাবাদী আৰু ফেচীবাদী ৰাষ্ট্ৰৰ অভ্যুত্থানৰ আৰু জনকল্যাণমূলক ৰাষ্ট্ৰ ব্যৱস্থাৰ বিকাশৰ কথা কৈছে। বৰ্তমান শতিকাৰ ৰাজনৈতিক পৰিবৰ্তনৰ ক্ষেত্ৰত সামগ্ৰীকতাবাদী প্ৰৱণতা লক্ষ্য কৰা যায়।

Scanned with CamScanner

ৰাষ্ট্ৰব্যৱস্থাত জনসাধাৰণৰ ব্যাপক কল্যাণ সাধন সম্ভৱপৰ। এই ৰাষ্ট্ৰব্যৱস্থাৰ পৰিবৰ্তনৰ কাৰণে বৈপ্লৱিক উপায়ৰ প্ৰয়োজন নহয়। এই ধৰণৰ ৰাষ্ট্ৰ ব্যৱস্থাত জনগণৰ (Popular Sovereignty) সাৰ্বভৌমত্ব অটুট থাকে। সেয়েহে জনগণে নিৰ্বাচনৰ মাধ্যমত শান্তিপূৰ্ণ উপায়েৰে চৰকাৰ পৰিবৰ্তন কৰিবলৈ সক্ষম হয়। সেয়েহে সমাজতান্ত্ৰিক বিপ্লৱৰ দৰে হিংসাত্মক উপায় পদ্ধতিৰ এই ব্যৱস্থাত আৱশ্যকতা নাই।

**বিপ্লৱৰ প্ৰকাৰ** (Types of Revolutions) ঃ সামাজিক জীৱনৰ সকলো ক্ষেত্ৰটে আৰু সকলো ঠাইতে বিপ্লৱ সংঘটিত হ'ব পাৰে। মানুহে যেতিয়া মৌলিক পৰিবৰ্তন বিচাৰে আৰু কম সময়ৰ ভিতৰতে মৌলিক আৰু আমূল পৰিবৰ্তন কৰিবলৈ সক্ষম হয় তাকেই বিপ্লৱ বুলি কোৱা হয়। এই পৰিবৰ্তন ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সকলোবোৰ ক্ষেত্ৰতেইঘটিব পাৰে।

**ৰাজনৈতিক বিপ্লৱ (Political Revolution)** ঃ প্ৰচলিত ৰাজনৈতিক ব্যৱস্থা বা চৰকাৰৰ অৰ্থাৎ একনায়কত্ববাদৰ পৰা গণতন্ত্ৰ বা তাৰ ওলোটা ধৰণৰ ক্ষীপ্ৰ পৰিবৰ্তনকে ৰাজনৈতিক বিপ্লৱ বোলা হয়। মেক আইভাৰ (Mac Iver) ৰ ভাষাত "When a political regime is overthrown by force in order to impose a new form of government, which proclaims a new policy on some critical issues, we call it a revolution." পৃথিবীৰ প্ৰায়বোৰ অংশৰ বিভিন্ন ৰাষ্ট্ৰত বিভিন্ন সময়ত ৰাজনৈতিক বিপ্লৱ সংঘটিত হোৱা দেখা যায়। সাধাৰণতে বহু ক্ষেত্ৰত অভ্যুত্থান (Coup-de-etat) ৰ মাধ্যমত ৰাজনৈতিক বিপ্লৱ ঘটা দেখা যায়। বিশ্ব ইতিহাসৰ এইবোৰ স্বাভাৱিক ঘটনা।

বহুতে প্ৰশাসনীয় ক্ষমতাৰ হস্তান্তৰকে বিপ্লৱ বুলি অভিহিত কৰে। কিন্তু বিপ্লৱ সম্পৰ্কিত এই ধাৰণা অস্পষ্ট। শাসন ক্ষমতাৰ হস্তান্তৰ মানেই চৰকাৰ পৰিচালনাকাৰীৰ পৰিবৰ্তন। ইয়াৰ দ্বাৰা নিৰ্বাচনৰ মাধ্যমত শাসক দলৰ পৰিবৰ্তন যেনেকৈ বুজায়, তেনেকৈ আকৌ গণতন্ত্ৰক ধ্বংস কৰি নাজীবাদ বা ফেচীবাদ শাসনৰ প্ৰতিষ্ঠাকো বুজায়। শাসন ক্ষমতাৰ হস্তান্তৰ সাংবিধানিক উপায়, হিংসাত্মক পদ্ধতি, নিৰ্বাচন ইত্যাদি বিভিন্ন পদ্ধতিৰে হ'ব পাৰে। এই ধৰণে পৰিবৰ্তন ঘটে। এই ধৰণৰ পৰিবৰ্তনক ৰাজনৈতিক

Scanned with CamScanner

সৌধে নতুন আৰ্থ-সামাজিক বিন্যাসক বিকশিত আৰু দৃঢ় ভিত্তিক কৰাত যথেষ্ট পৰিমাণে সহায়ক ভূমিকা পালন কৰে।

**সাংস্কৃতিক বিপ্লৱ (Cultural Revolution)** ঃ এখন সমাজত ক্ষীপ্ৰ গতিত প্ৰথা, পৰম্পৰা বা মূল্যবোধত পৰিবৰ্তন হ'লে সমাজখনৰ সাংস্কৃতিক ক্ষেত্ৰত আমূল পৰিবৰ্তন হয় আৰু ইয়াকেই সাংস্কৃতিক বিপ্লৱ বুলি কোৱা হয়। পুৰণি নাইবা প্ৰচলিত ধাৰণা, মূল্যবোধ বিলাকৰ পৰিবৰ্তে নতুন নতুন পৰম্পৰা, ধাৰণা, মূল্যবোধ মানুহে গ্ৰহণ কৰিবলৈ লয়। এনেকুৱা বিপ্লৱৰ ফলত মানুহৰ অভ্যাস, আচৰণ, ৰুচিবোধ, দৃষ্টিভঙ্গী ইত্যাদিৰ পৰিবৰ্তন হয়। এনেকুৱা বিপ্লৱৰ চৌৰে ক্ষীপ্ৰ গতিত ধৰ্মীয় আৰু অৰ্থনৈতিক ক্ষেত্ৰটো পৰিবৰ্তন সাধন কৰে।

সাংস্কৃতিক বিপ্লৱ হ'ল গণ-বিপ্লৱৰ (Mass Revolution) শক্তিশালী হাতিয়াৰ। মাও চে টুংৰ ভাষাত "Revolutionery culture is a powerful Revolutionary weapon of the people". সাংস্কৃতিক বিপ্লৱ অবিহনে বিপ্লৱ সম্পূৰ্ণ নহয়। মানুহৰ মূল্যবোধ, দৃষ্টিভঙ্গী আৰু ধাৰণাৰ পৰিবৰ্তনেহে ৰাজনীতি, অৰ্থনীতি ইত্যাদি সকলো ক্ষেত্ৰতে পৰিবৰ্তনৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰে।

বিপ্লৱৰ কাৰণ (Causesof Revolution) ঃ

(১) মনঃস্তাত্ত্বিক কাৰণ (Psychological Caures) ঃ বিপ্লৱ সংঘটিত হোৱাৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু অন্যান্য বহুতো কাৰণ আছে যদিও মৌলিকভাৱে এইটো এটা মানসিক প্ৰক্ৰিয়া। এই মনস্তাত্ত্বিক কাৰণবোৰ হ'ল— ক) দমিত আকঙ্খাৰ বিস্ফোৰণ **Explosion of Repressed Desire)** ঃ বহু কেইজন মনোবৈজ্ঞানিকৰ মতেবিপ্লৱ হ'ল দমিত আকাঙ্খাবোৰৰ মুক্ত প্ৰকাশ বা এক সামগ্ৰীক বিস্ফোৰণ। বেচিভাগ আধুনিক মনোবিদৰ মতে মানুহৰ আকাঙ্খা বা লক্ষ্যবোৰক দমন কৰি বা চাপ দি ৰাখিলেও সেইবোৰক মানুহৰ মনৰ পৰা সম্পূৰ্ণৰূপে মচি পেলাব নোৱাৰি। যেতিয়া সুযোগ আহে মানুহে এই লক্ষ্য বা আকাঙ্খাবোৰ পূৰণ কৰাৰ বাবে নিজকে নিয়োগ কৰে আৰু এই ক্ষেত্ৰত তেওঁলোকে যথেষ্ট হিংসাপূৰ্ণ উপায় লয়। যিবোৰ হিংসামূলক উপায়েৰে তেওঁলোকক দমন কৰি ৰখা হয় তাতকৈ তেওঁলোক বহু বেচি ভয়ংকৰ হৈ উঠে। সমাজৰ

Scanned with CamScanner

পৰিবৰ্তন হিচাপে অভিহিত কৰিছিল। তেওঁৰ মতে আভ্যন্তৰীণ ক্ষেত্ৰত উত্তেজনা আৰু বিভাজনৰ পৰিপ্ৰেক্ষিতত সামৰিক স্বৈৰাচাৰৰ সৃষ্টি হয়। ৰাজনীতি বিজ্ঞানৰ পিতৃ এৰিষ্টটলে শাসনৰ উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ পৰিবৰ্তন সম্পৰ্কে আলোচনা কৰিছে। এইদৰে এই গ্ৰীক দাৰ্শনিকে ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ, একনায়কতন্ত্ৰ, গণতন্ত্ৰ ইত্যাদি শাসনব্যৱস্থাৰ কথা কৈছে। চৰকাৰৰ এইবোৰ শ্ৰেণীবিভাজন প্ৰকৃততে ৰাজনৈতিক পৰিবৰ্তনৰ প্ৰকাশ। চিন্তাজগতত সংকীৰ্ণ ৰাজনৈতিক দৃষ্টিভঙ্গীৰ ওপৰত ধৰ্মীয় ধাৰণাৰ প্ৰভাৱ পৰিলক্ষিত হয়। আনহাতে বৈপ্লৱিক পথেৰে মৌলিক আৰু সামগ্ৰীক ৰাজনৈতিক পৰিবৰ্তন হ'ল তুলনামূলকভাৱে আধুনিক ৰাষ্ট্ৰচিন্তাৰ ফল। আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ব্যাপক আৰু মৌলিক পৰিবৰ্তনৰ উদাহৰণ হিচাপে ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ আৰু ১৯১৭ চনৰ ৰাছিয়াৰ মহান অক্টোবৰ বিপ্লৱৰ কথা কোৱা হয়। মানৱ সভ্যতাৰ ক্ৰমবিবৰ্তনৰ ইতিহাসত এই বিপ্লৱ দুটি বিশেষ তাৎপৰ্যপূৰ্ণ। সোতৰ শতিকাৰ ইংৰাজ ৰাজনৈতিক চিন্তাত ৰাজনৈতিক পৰিবৰ্তন প্ৰসঙ্গত বহু পৰিমাণে ইতিবাচক ধাৰণাৰ পৰিচয় পোৱা যায়। আকৌ ফৰাচী বিপ্লৱৰ তাত্ত্বিক আৰু প্ৰয়োগকাৰী সকলৰ মাজতো ৰাজনৈতিক পৰিবৰ্তনৰ এই ইতিবাচক দৃষ্টিভঙ্গীৰ অস্তিত্ব পৰিলক্ষিত হয়। পিউৰিটান বিপ্লৱৰ প্ৰভাৱত গোটেই ইউৰোপ ব্যাপী ৰাজনৈতিক চিন্তাজগতত এক পৰিবৰ্তনৰ ঢৌ দেখা দিয়ে। এই সময়ত সমকালীন ৰাজতন্ত্ৰৰ আধিপত্যক অপসাৰণ কৰি গণতন্ত্ৰ আৰু ব্যক্তি স্বাধীনতা প্ৰতিষ্ঠাৰ প্ৰৱণতা পৰিলক্ষিত হয়। সোতৰ শতিকাৰ ইংৰাজ চিন্তাবিদসকলে আৰু ফৰাচী বিপ্লৱৰ প্ৰবক্তাসকলে প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে বিপ্লৱৰ আহ্বান জনায় আৰু নতুন ৰাষ্ট্ৰ ব্যৱস্থা গঢ়ি তোলাৰ কথা প্ৰচাৰ কৰে। মাৰ্ক্সবাদী দাৰ্শনিক সকলে সমাজৰ গুণগত পৰিবৰ্তন বা প্ৰগতি সম্পৰ্কে বাস্তববাদী দৃষ্টিভঙ্গীৰ পৰিচয় দিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত তৃতীয় বিশ্বত বহু কেইখন নতুন ৰাষ্ট্ৰৰ সৃষ্টি হয়। এই ৰাষ্ট্ৰবোৰত আগৰ পৰাই পুঁজিবাদী ৰাজনৈতিক প্ৰতিষ্ঠানবোৰ আছিল। সদ্য স্বাধীনতা প্ৰাপ্ত এই দেশবোৰে দৰিদ্ৰতাৰ অভিশাপৰ পৰা মুক্তি আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতিক সুনিশ্চিত কৰাৰ কাৰণে বিশেষভাৱে উদ্যোগ গ্ৰহণ কৰে। এই সময়ত সামঞ্জস্যপূৰ্ণ ৰাজনৈতিক পৰিবৰ্তনৰ প্ৰয়োজনীয়তা

Scanned with CamScanner

অনুভূত হয়। ব্যৱহাৰিক আৰু তাত্ত্বিক উভয় দিশৰ পৰাই ৰাজনৈতিক পৰিবৰ্তনৰ বিষয়টো বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হৈ উঠে। এই সময়ত উন্নয়নশীল দেশবোৰত ৰাজনৈতিক পৰিবৰ্তনৰ প্ৰসঙ্গত বিভিন্ন দিশৰ পৰা গভীৰ গৱেষণা আৰু অনুসন্ধানমূলক আলোচনা পৰিচালিত হয়। এটা সময়ত এই দেশবোৰৰ বহুকেইখনতেই ৰাজনৈতিক ক্ষেত্ৰত বিপৰ্যয় দেখা দিয়ে, বৈধতাৰ সংকট সৃষ্টি হয়। সামৰিক অভ্যুত্থানৰ ফলত বহু দেশতেই অসামৰিক চৰকাৰৰ পতন ঘটে আৰু সামৰিক শাসন বলবৎ হয়। ৰাজনৈতিক বৈধতাৰ সংকটত (Legitimization crisis) জৰ্জৰিত তৃতীয় বিশ্বৰ বহুকেইখন দেশতেই শৃঙ্খলাৰ প্ৰশ্নটোৱে বিশেষভাৱে গুৰুত্ব লাভ কৰে। এই সময়তে চেমুৱেল হানটিংটনৰ নিচিনা আধুনিক ৰাজনীতি বিজ্ঞানীসকলে ৰাজনৈতিক সংগঠন আৰু প্ৰতিষ্ঠানিকীকৰণ (institutionalization) সম্পৰ্কীয় আলোচনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

**উদাৰনৈতিক গণতান্ত্ৰিক দৃষ্টিত ৰাজনৈতিক পৰিবৰ্তন ঃ** উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাৰ সমৰ্থক আৰু প্ৰবক্তাসকল সমাজৰ আমূল পৰিবৰ্তনৰ পক্ষপাতী নহয়। তেওঁলোকে স্থায়িত্বৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। এইসকল চিন্তাবিদৰ মতে সমাজ সদায় প্ৰবাহমান আৰু ই স্থায়িত্বৰ গুণত অগ্ৰসৰ হয়। স্থায়িত্ব বিপন্ন হ'লে সমাজৰ বিকাশ ব্যাহত হয় আৰু প্ৰগতি ৰুদ্ধ হয়। এই কাৰণতে তেওঁলোকে স্থায়িত্বৰ স্বাৰ্থত প্ৰয়োজনীয় সংস্কাৰ সাধন নাইবা শৃংখলা আৰু সংহতি স্থাপনৰ ওপৰত গুৰুত্ব দিয়ে। শাসক আৰু শাসিতৰ শৃংখলাৰ ওপৰত সমাজ ব্যৱস্থাৰ স্থায়িত্ব নিৰ্ভৰ কৰে। গণতান্ত্ৰিক চিন্তাবিদ সকলৰ মতে আধুনিক কালৰ পশ্চিমীয়া গণতান্ত্ৰিক ব্যৱস্থাই হ'ল শ্ৰেষ্ঠ। তেওঁলোকে সংস্কাৰৰ মাধ্যমত এই ব্যৱস্থাটোক অধিক উন্নত কৰিব বিচাৰে। তেওঁলোক এই ব্যৱস্থাৰ পৰিবৰ্তনৰ পক্ষপাতী নহয়। সনাতন বিশ্বাস বা নৈতিকতাক অস্বীকাৰ কৰিলে সুসংহত সাধাৰণ সংস্কৃতিক অগ্ৰাহ্য কৰিলে বা ৰাজনৈতিক বিষয়বোৰত বিভিন্ন গোষ্ঠীৰ অংশ গ্ৰহণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে গণতান্ত্ৰিক ব্যৱস্থাৰ সফল বাস্তবায়ন বাধাপ্ৰাপ্ত হ'ব বুলি তেওঁলোকে বিশ্বাস কৰে। এই শ্ৰেণীৰ চিন্তাবিদসকলৰ বেচিভাগেই ব্ৰিটিছ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক ব্যৱস্থাৰ উৎকৰ্ষ সম্পৰ্কত কোনো সংশয় প্ৰকাশ নকৰে। উদাৰনৈতিক গণতন্ত্ৰৰ পশ্চিমীয়া

যেচিভাগেই সাধাৰণতে তেওঁলোকৰ আকাঙ্খা বা লক্ষ্যবোৰ পূৰণ কৰাৰ কাৰণে পৰিবৰ্তন বিচাৰে। সাধাৰণতে এচামে এই পৰিবৰ্তনক বাধা দিয়ে। জনসাধাৰণে এই ক্ষেত্ৰত কিছুমান প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। জনসাধাৰণৰ প্ৰতিক্ৰিয়াক গুৰুত্ব নিদি দমনৰ প্ৰচেষ্টা জোৰদাৰ কৰিলেই সংগঠিত ৰূপত ভয়ংকৰ ৰূপত প্ৰতিক্ৰিয়া প্ৰকাশ পাই বিপ্লৱৰ ৰূপ ধাৰণ কৰে। The Sociology of Revolution নামৰ গ্ৰন্থখনত বিশিষ্ট সমাজতত্ত্ববিদ চৰোকিন (Sorokin) -এ লিখিছে— "The immediate cause of revolution is always the growth of 'repression' of the main instincts of majority of society, and the impossibility of obtaining for these instincts the necessary minimum of satisfaction." গৰিষ্ঠ সংখ্যক জনসাধাৰণ অসন্তুষ্ট হ'লে নাইবা সন্তুষ্টি পোৱাটো সম্ভৱ নহ'লে আৰু বাধা বা দমন বৃদ্ধি পাই থাকিলে, এই বাধা বা দমনৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া বিপ্লৱৰ ৰূপত প্ৰকাশ পায়।

(খ) অৱচেতন মনৰ ইচ্ছাৰ প্ৰকাশ **Expression of unconscious and lowly passion :** বিপ্লৱৰ ব্যাখ্যা কৰিবলৈ গৈ লেবন (Lebon) -এ বিপ্লৱক উন্মত জনতাৰ আচৰণৰ লগত সমাৰ্থক হিচাপে উপস্থাপন কৰিছে। উন্মত্ত জনতাৰ আচৰণত অৱচেতন মনৰ ৰিপু বিলাকে প্ৰকাশ পোৱাৰ দৰে, বিপ্লৱৰ মাধ্যমেৰেও মানুহৰ তেনেকুৱা আচৰণবোৰ প্ৰকাশ পায়। উন্মত্ত জনতাৰ (Crowd) নিচিনাকৈ বিপ্লৱৰ সময়তো মানুহৰ আচৰণত উত্তেজনা, যুক্তিহীনতা আৰু আবেগৰ প্ৰাধান্যতা প্ৰকাশ পায়। বাধা দান, যন্ত্ৰণা দিয়া বিপ্লৱীসকলে কাৰো কথা শুনিব নোখোজে·আৰু তেওঁলোকে যি কোনো কাম সংঘটিত কৰিবলৈ সাজু থাকে। ফৰাচী বিপ্লৱৰ সময়ত আনকি তিৰোতাবোৰেও মানুহ হত্যা কৰিছিল আৰু তেজ শুহিছিল। এনেদৰে দেখা যায় যে বিপ্লৱৰ সময়ত চূড়ান্ত নিষ্ঠুৰতা প্ৰকাশ পায়। এই সময়ত প্ৰায়ভাগ মানুহেই জন্তুৰ নিচিনা আচৰণ কৰে।

(গ) অৱচেতনমনৰ আকাঙ্খাৰ প্ৰকাশ **Expression of Unconscious desire :** বিশিষ্ট মনোবৈজ্ঞানিক ফ্ৰয়েড (Sismund Freud) -ৰ মতে সমাজৰ শোষিত আৰু পীড়িত মানুহবোৰে অৱচেতন মনত শাসক আৰু উচ্চ শ্ৰেণীটোৰ প্ৰতি তীব্ৰ ঘৃণা আৰু ক্ষোভ পোষণ